**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 27-01-2026
**Time :** 18.45 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আজি ডিগবৈ আৰু চৰাইদেউ জিলাৰ মাহমৰাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ প্ৰাৰম্ভিক পুঁজিৰ চেক বিতৰণ।

২। কাইলৈৰ পৰা সংসদৰ বাজেট অধিৱেশনৰ পূৰ্বে আজি সৰ্বদলীয় বৈঠক।

৩। গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ নৱতম সংযোজন শ্ৰীশ্ৰীদামোদৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহৰ আজি উদ্বোধন।

৪। বৰপেটাৰ চেঙাত ব্ৰহ্মপুত্ৰৰ বুকুত আজি দুপৰীয়া সংঘটিত নাওঁ দুৰ্ঘটনাত শিশু আৰু মহিলাসহ ৭ গৰাকী লোক সন্ধানহীন। **আৰু**

৫। সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত আজি ওড়িশাৰ বিৰুদ্ধে কেৰালাৰ ১-০ গ'লত জয়লাভ।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি ডিগবৈ আৰু চৰাইদেউ জিলাৰ মাহমৰাত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ প্ৰাৰম্ভিক পুঁজিৰ চেকসমূহ বিতৰণ কৰে। মাহমৰা বিধানসভা সমষ্টিৰ গৰৈমাৰী ক্ৰীড়া প্ৰকল্পত অনুষ্ঠিত কাৰ্যসূচীত সমষ্টিটোৰ ২৫ হাজাৰ ৫৫১ গৰাকী মহিলাক ১০ হাজাৰ টকাকৈ আঁচনিৰ প্ৰথম কিস্তিৰ ধনৰ চেক আগবঢ়োৱা হয়। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে মহিলাসকলক চৰকাৰে আগবঢ়োৱা ধনৰ অপব্যৱহাৰ নকৰি মূলধন হিচাপে লৈ ক্ষুদ্ৰ ব্যৱসায় গঢ়ি তুলিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে মাহমৰা সমষ্টিৰ সৰ্বাঙ্গীন উন্নয়নৰ বাবে কেইবাখনো গুৰুত্বপূৰ্ণ আঁচনিৰ কাম শুভাৰম্ভ কৰাৰ লগতে নতুন আঁচনিৰ আধাৰশিলা স্থাপন কৰে। এই সন্দৰ্ভত সাংবাদিকৰ আগত মুখ্যমন্ত্ৰীয়ে এইদৰে কয়ঃ

বাইট

মুখ্যমন্ত্ৰীয়ে ডিগবৈত ১৭ হাজাৰ ২৬৪ গৰাকী মহিলাক চেক বিতৰণ কৰে। মুখ্যমন্ত্ৰীয়ে অনুষ্ঠানত অংশ লৈ মহিলাসকলৰ সৱলীকৰণ আৰু তেওঁলোকৰ স্বাৱলম্বী কৰি তোলাৰ বাবে চৰকাৰৰ এই অভিযান অব্যাহত থাকিব বুলি উল্লেখ কৰে।

ooooo

কাইলৈৰ পৰা সংসদৰ বাজেট অধিৱেশন অনুষ্ঠিত হ'ব। ২ এপ্ৰিলত এই অধিৱেশনৰ সামৰণি পৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংসদৰ উভয় সদনক উদ্দেশি দিয়া ভাষণেৰে অধিৱেশন মুকলি কৰা হ'ব। কাইলৈৰ পৰা ১৩ ফেব্ৰুৱাৰীলৈ অধিৱেশনৰ প্ৰথম পৰ্যায় আৰু ৯ মাৰ্চৰ পৰা ২ এপ্ৰিললৈ দ্বিতীয় পৰ্যায়ৰ কাম-কাজসমূহ চলিব। পহিলা ফেব্ৰুৱাৰীত বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেট উত্থাপন কৰিব।

বাজেট অধিৱেশনৰ পূৰ্বে কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে কেতবোৰ গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় বিষয়ৰ লগতে সদনৰ কাম-কাজ সন্দৰ্ভত আলোচনা কৰাৰ উদ্দেশ্যে আজি দিনৰ ১১ বজাত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান

কৰে। এই বৈঠকত কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অধ্যক্ষতা কৰে। কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডা, সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজু, সংসদীয় পৰিক্ৰমা ৰাজ্য মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল আৰু ড° এল মুৰুগান এই বৈঠকত উপস্থিত থাকে। কংগ্ৰেছৰ জয়ৰাম ৰমেশ, ডি এম কেৰ তিৰুচি শিৱা, তৃণমূল কংগ্ৰেছৰ সাগৰিকা ঘোষ, সমাজবাদী দলৰ সাংসদ ৰামগোপাল যাদৱো এই বৈঠকত উপস্থিত থাকে। সংসদীয় পৰিক্ৰমা মন্ত্ৰী শ্ৰীৰিজিজুৱে সংসদৰ এই অধিবেশন সন্দৰ্ভত সাংবাদিকৰ আগত এইদৰে কয় ঃ

বাইট

০০০০০

গুৱাহাটীৰ পাঞ্জাবাৰীস্থিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ নৱতম সংযোজন শ্ৰী শ্ৰী দামোদৰদেৱ আন্তঃজাতিক প্ৰেক্ষাগৃহৰ আজি বিয়লি উদ্বোধন কৰা হ'ব। মুখ্য অতিথিৰূপে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতে সাংস্কৃতিক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী বিমল বৰাও উদ্বোধনী অনুষ্ঠানত উপস্থিত থকাৰ কথা।

৫২ কোটি টকা ব্যয়ৰে সাজি উলিওৱা এই প্ৰেক্ষাগৃহটিত আধুনিক তথা আন্তঃৰাষ্ট্ৰীয় মানৰ বিভিন্ন সা-সুবিধা সন্নিৱিষ্ট কৰা হৈছে। ৮০০ খন আসন বিশিষ্ট প্ৰেক্ষাগৃহটোত অত্যাধুনিক সন্মিলন কক্ষ, উন্নতমানৰ আলোক আৰু শব্দ প্ৰযুক্তি, দিব্যাংগ লোকসকলৰ বাবে মঞ্চত আৰোহণৰ সুবিধাৰ্থে বিশেষ লিফ্‌ট, অত্যাধুনিক থিয়েটাৰ অভিজ্ঞতা কেন্দ্ৰ আদিৰ ব্যৱস্থা থাকিব। এই প্ৰেক্ষাগৃহটো কাৰিকৰীভাৱে বিশ্বমানৰ হ'ব বুলি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সচিব সুদৰ্শন ঠাকুৰে প্ৰকাশ কৰে।

বাইট

০০০০০

বৰপেটা জিলাৰ চেঙা সমষ্টিৰ চৰ অঞ্চল ৰহমপুৰ আৰু বৰহোলাৰ মাজত ব্ৰহ্মপুত্ৰৰ বুকুত আজি দুপৰীয়া সংঘটিত নাও দুৰ্ঘটনাত শিশু আৰু মহিলাসহ ৭ গৰাকী লোক সন্ধানহীন হৈছে। স্থানীয় লোকৰ অভিযোগ অনুসৰি পৰ্যাপ্ত সুৰক্ষা ব্যৱস্থা গ্ৰহণ নকৰাকৈ যাতায়াত কৰাৰ ফলত নদীৰ চাকনৈয়াত পৰি এই দুৰ্ঘটনা সংঘটিত হৈছে। বৰ্তমান এছ ডি আৰ এফৰ দলে আৰক্ষীৰ সহযোগত উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। অৱশ্যে এন্ধাৰ হোৱাৰ বাবে উদ্ধাৰ অভিযান আজি স্থগিত ৰখা হৈছে।

০০০০০

আজি ৰাজ্যৰ ভিন্ন স্থানত বড়োসকলৰ হেঁপাহৰ উৎসৱ গৌথাৰ বাথৌ ছান উদযাপন কৰা হৈছে। মাঘ মাহৰ দ্বিতীয়টো মঙলবাৰে এই উৎসৱ উদযাপন কৰা হয়। বড়ো জনগোষ্ঠীৰ প্ৰধান দেৱতা বাথৌৰ উপাসনা বছৰত দুবাৰকৈ কৰা হয়। বাথৌক জনগোষ্ঠীটোৰ পিতৃ দেৱতা বুলি বড়োসকলে বিশ্বাস কৰে।

বাক্সা জিলাৰ মুছলপুৰৰ বাথৌফুৰিত ১০ দিনীয়া কাৰ্যসূচীৰে ৫২সংখ্যক কেন্দ্ৰীয় বাথৌ পূজা আৰু মেলাৰ আয়োজন কৰা হৈছে। পৰম্পৰাগতভাৱে আৰজ বন্দনাৰে ১২খন গাঁৱৰ মুখিয়ালসকলে মেলাস্থলীত নিজ নিজ গাঁৱৰ ৰাজহুৱা পতাকা উত্তোলন কৰে। মেলাস্থলীত মুখ্য প্ৰৱেশদ্বাৰ, বাণিজ্য মেলা, মন্দিৰৰ দুৱাৰ মুকলি কৰা হয়। শান্তি, সম্প্ৰীতি আৰু ভাতৃত্ববোধৰ ভাৱেৰে আয়োজন কৰা পূজা আৰু মেলাত ভালেসংখ্যক লোক উপস্থিত থাকে।

অসম মেঘালয় সীমান্তৱৰ্তী কামৰূপ জিলাৰ বকোৰ কঠালপাৰাত আজিৰে পৰা দুদিনীয়াকৈ বাথৌ পূজা অনুষ্ঠিত হৈছে। আজি পুৱাৰে পৰা বড়ো জনগোষ্ঠীৰ লোকসকলে পৰম্পৰাগত ৰীতি নীতিৰে সিজু গছ ৰোপন কৰি, বন্তি জ্বলাই আৰজ বন্দনাৰে পূজা আৰম্ভ কৰে।

সংগীত

পূজাস্থলীত দক্ষিণ কামৰূপ জিলা বাথৌ মহাসভাৰ সভাপতি  বিষ্ণু বসুমতাৰীয়ে পূজাৰ বিষয় সম্পৰ্কে আলোকপাত কৰে।

ooooo

বড়োলেণ্ডৰ বিধায়িনী সভাগৃহত আজি বড়োলেণ্ড শান্তি-চুক্তি দিৱস পালন কৰা হয়। বিটিচি চৰকাৰে এই অনুষ্ঠানটোৰ আয়োজন কৰে। অনুষ্ঠানৰ আৰম্ভণিতে বিটিচি সচিবালয়ৰ চৌহদত থকা বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলী জনোৱা হয়। আজিৰ অনুষ্ঠানত ঐতিহাসিক বিটিআৰ শান্তি-চুক্তিত স্বাক্ষৰকাৰীসকলক সম্বৰ্ধনা জনোৱা হয়। বিটিচিৰ মুৰব্বী হাগ্ৰামা মহিলাৰী, মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, সাংসদ ৰণগৌৰা নাৰ্জাৰী, বিধায়ক লৰেন্স ইছলাৰী আৰু ৰবিৰাম নাৰ্জাৰীৰ লগতে শান্তি-চুক্তিত স্বাক্ষৰকাৰী তথা প্ৰাক্তন এন ডি এফ বিৰ নেতা ধীৰেণ বড়ো, বি কে ডব্লিউ এ চিৰ মুৰব্বী মিহিনেশ্বৰ বসুমতাৰী এই অনুষ্ঠানত উপস্থিত থাকে। এন ডি এফ বি, এবছু, বড়ো সাহিত্য সভা, বড়ো সমাজ আৰু বিভিন্ন সংগঠনৰ কেইবাগৰাকী প্ৰতিনিধি অনুষ্ঠানত উপস্থিত থাকে। অৱসৰপ্ৰাপ্ত আই এ এছ বিষয়া হেমন্ত নাৰ্জাৰীয়ে অনুষ্ঠানৰ অধ্যক্ষতা কৰে। উপস্থিত ৰাইজক সম্বোধন কৰি শ্ৰীনাৰ্জাৰীয়ে কয়, যে বড়ো শান্তি-চুক্তিৰ প্ৰতিটো দফা সম্পূৰ্ণ আৰু কাৰ্যকৰী ৰূপায়ণ কৰাৰ প্ৰয়োজন আছে। বড়ো জনসাধাৰণৰ ওচৰত বিটিচি চৰকাৰ এইক্ষেত্ৰত প্ৰতিশ্ৰুতিবদ্ধ বুলিও তেওঁ দোহাৰে।

ooooo

অসমত ভোটাৰ তালিকাৰ বিশেষ সংশোধনী প্ৰক্ৰিয়া আগবঢ়াই নিয়াৰ দিশত অধিক সংবেদনশীল আৰু দায়িত্বশীল হোৱাৰ বাবে আহ্বান জনাই আজি সদৌ অসম ছাত্ৰ সন্থাই ৰাজ্যৰ মুখ্য নিৰ্বাচনী  বিষয়ালৈ এখন দাবী পত্ৰ প্ৰেৰণ কৰিছে। এই পত্ৰৰ জৰিয়তে ভোটদাতাৰ তালিকাৰ বিশেষ সংশোধনীৰ পোষকতা কৰি ছাত্ৰ সংগঠনটোৱে কয় যে এই প্ৰক্ৰিয়াৰ ফলত খিলঞ্জীয়া সংখ্যালঘু লোকসকলক সমস্যাৰ সন্মুখীন হোৱা উচিত নহয়। অৱশ্যে অবৈধ নাগৰিকৰ নাম তালিকাৰ পৰা কৰ্তন হ'ব লাগিব বুলি সংগঠনটোৱে দাবী উত্থাপন কৰে। ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে এই সন্দৰ্ভত কয় যে ৰাজ্যখন অবৈধ বাংলাদেশীৰ অনুপ্ৰৱেশৰ সমস্যাৰে ভাৰাক্ৰান্ত। অবৈধ নাগৰিকে ৰাজ্যৰ ভোটাৰ তালিকাত নাম সন্নিবিষ্ট কৰা বিষয়টোৰ সন্দৰ্ভত ছাত্ৰ সংগঠনটোৱে পূৰ্বৰে পৰাই দৃষ্টিগোচৰ কৰি আহিছে বুলি তেওঁলোকেৰ উল্লেখ কৰে। শেহতীয়াকৈ ভোটাৰ তালিকাৰ বিশেষ সংশোধনীক লৈ বহু খিলঞ্জীয়া লোকে আপত্তি দৰ্শোৱাৰ পৰিপ্ৰেক্ষিতত ছাত্ৰ সংগঠনটোৱে কয় যে এনে ঘটনাই এই লোকসকলৰ মনত অসন্তুষ্টিৰ জন্ম দিব  পাৰে। সেয়েহে এই প্ৰক্ৰিয়া আগবঢ়াই নিয়াৰ ক্ষেত্ৰত অধিক দায়বদ্ধভাৱে আৰু সংবেদনশীলতাৰে কাম কৰিবলৈ সংগঠনটোৱে নিৰ্বাচন আয়োগক আহ্বান জনায়।

ooooo

ৰাজ্যৰ বিভিন্ন জিলাত আজি বেংক কৰ্মচাৰীসকলে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। বেংক কৰ্মচাৰীসকলৰ কাম-কাজ সপ্তাহত  ৫ দিনৰ বাবে কৰাৰ দাবী কৰ্মচাৰীসকলে আজি কৰ্মবিৰতি পালন কৰে। মৰিগাওঁ জিলাতো বেংক কৰ্মচাৰীসকলে আজি এই কাৰ্যসূচী ৰূপায়ণ কৰে। একেদৰে শিৱসাগৰ জিলাত আজি ভাৰতীয় ষ্টেট বেংকৰ সন্মুখত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে।

ooooo

মানাহ ৰাষ্ট্ৰীয় উদ্যানত আয়োজিত মানাহ মহোৎসৱৰ অহা ৩১ জানুৱাৰীত অন্ত পৰিব। ৯ দিনীয়াকৈ অনুষ্ঠিত এই মহোৎসৱত  ৰাষ্ট্ৰীয় উদ্যানখনৰ দাঁতিকাষৰীয়া বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ লগতে প্ৰতিবেশী ৰাষ্ট্ৰ ভূটানৰো বহুসংখ্যক লোকে নিজৰ কৃষ্টি-সংস্কৃতি, খাদ্য সম্ভাৰ প্ৰদৰ্শন কৰাৰ লগতে বিক্ৰীৰ ব্যৱস্থা কৰা হৈছে। জনজাতীয় খাদ্য সম্ভাৰেৰে পৰ্যটকসকলক আকৰ্ষণ কৰা বুলি আমাৰ বাক্সাৰ সংবাদদাতাই জনাইছে।

০০০০০

দৰং জিলাৰ পথৰুঘাটত আজিৰে পৰা দুদিনীয়াকৈ কৃষক ছহিদ দিৱস আৰু ৰাইজমেল অনুষ্ঠিত হৈছে। ১৮৯৪ চনৰ ২৮ জানুৱাৰীত পথৰুঘাটত ব্ৰিটিছৰ বৰ্ধিত খাজনাৰ বিৰুদ্ধে গণতান্ত্ৰিক প্ৰতিবাদ কৰিবলৈ গৈ ব্ৰিটিছ আৰক্ষীৰ গুলীত নিহত হোৱা ১৪০ গৰাকী কৃষক ছহিদৰ স্মৃতিত এই অনুষ্ঠান প্ৰতিবছৰে পালন কৰা হয়। আজি প্ৰথমদিনাৰ কাৰ্যসূচী হিচাপে কৃষক মেলাৰ দ্বাৰ মুকলি, কৃষক প্ৰশিক্ষণ আৰু কৃষি বিজ্ঞানীৰে মত বিনিময় অনুষ্ঠিত হয়। কাইলৈ দৰং জিলাৰ আয়ুক্ত পূবালী গোহাঁইয়ে কৃষক ছহিদ দিৱসৰ পতাকা উত্তোলন কৰিব। অন্যান্য কাৰ্যসূচী হিচাপে ছহিদৰ স্মৃতিসৌধত শ্ৰদ্ধাঞ্জলি তৰ্পণ, গছপুলি ৰোপণ আদি কাৰ্যসূচী হাতত লোৱা হ'ব।

০০০০০

বজালী জিলাৰ পাটাছাৰকুছি সমষ্টিত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি ৯টা পথৰ নিৰ্মাণকাৰ্যৰ শুভাৰম্ভ কৰে। সমষ্টিৰ উন্নয়ন পুঁজিৰ ১১ কোটি টকা ব্যয়ৰে এই পথকেইটা নিৰ্মাণ কৰা হ'ব। মন্ত্ৰীগৰাকীয়ে আজি জিলাখনৰ কাহাৰপাৰাৰ শ্ৰীমন্ত শংকৰদেৱ সংঘ, বজালী জিলা শাখাৰ শংকৰী-সংস্কৃতি প্ৰকল্পৰ ৪০ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰি উলিওৱা নামঘৰৰো শুভ উদ্বোধন কৰে।

০০০০০

৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ আজি কেইবাখনো খেল অনুষ্ঠিত হয়। ঢকুৱাখনাত অনুষ্ঠিত আজি গ্ৰুপ-বিৰ এখন খেলত কেৰালা দলে ওড়িশা দলক ১-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। ধেমাজিৰ চিলাপথাৰত অনুষ্ঠিত প্ৰতিযোগিতাৰ আন এখন গুৰুত্বপূৰ্ণ খেলত ৰে'লৱে দলে পাঞ্জাৱ দলক ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। আনহাতে মেঘালয় আৰু ছাৰ্ভিচেছৰ খেলখন ২-২ গ'লৰ ব্যৱধানত ড্ৰ' হয়। কাইলৈ ঢকুৱাখনাৰ বিষ্টুৰাম দলে ক্ৰীড়া ক্ষেত্ৰত অসম দল ৰাজস্থানৰ বিৰুদ্ধে খেলিব। উত্তৰাখণ্ড আৰু নাগালেণ্ড, পশ্চিমবংগ আৰু ৰাজস্থানৰ আন দুখন খেলো কাইলৈ অনুষ্ঠিত হ'ব।

০০০০০

বজালী জিলাৰ পাটাছাৰকুছি বিদ্যাপীঠৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক ভাবিত চন্দ্ৰ হালৈৰ আজি বিয়লি গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত দেহাৱসান ঘটে। জিলাভিত্তিক কৃতি শিক্ষকৰ বঁটা প্ৰাপক নিৰ্মল হালৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাকালৰ যুটীয়া সম্পাদক বজালী শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ প্ৰাক্তন সভাপতি সুধাকণ্ঠ সংগীত মহাবিদ্যালয়ৰ প্ৰাক্তন সভাপতি, পাটাছাৰকুছি  অৱসৰপ্ৰাপ্ত শিক্ষক কৰ্মচাৰী সন্থাৰ প্ৰাক্তন সভাপতি আদি কেইবাটাও অনুষ্ঠানৰ বিভিন্ন পদত অধিষ্ঠিত হৈ থকা প্ৰয়াত হালৈৰ মৃতুৰ সময়ত বয়স আছিল ৮৩ বছৰ।

০০০০০

ঃঃ সমাপ্ত ঃঃ